# নলবাৰীত উদ্যোগ-বাণিজ্য কেন্দ্ৰৰ উদ্যোগত কাৰিকৰী প্ৰশিক্ষণ কৰ্মশালা

ষ্টাফ ৰিপ'ৰ্টাৰ, নলবাৰী, ১২ জুন ঃ জিলা আৰু বাণিজ্য কেন্দ্ৰ নলবাৰীৰ উদ্যোগত আজি সয়ম্বৰ হলত কৃষি ভিত্তিক এক সমূহীয়া কাৰিকৰী প্ৰশিক্ষমূলক কৰ্মশালা অনুষ্ঠিত কৰা হয়। অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্পৰ অধীনত এই সমূহীয়া কাৰিকৰী কৰ্মশালা অনুষ্ঠিত কৰা হয়। কৃষিজাত সামগ্ৰীৰে ভৰপূৰ আমাৰ দেশৰ কৃষকসকলৰ উৎপাদিত সামগ্ৰীৰে গঢ় লৈ উঠা ক্ষুদ্ৰ ক্ষুদ্ৰ উদ্যোগসমূহৰ একে জাতীয় উৎপাদিত সামগ্ৰীসমূহৰ উদ্যোগবোৰৰ মাজত গোট গঠন কৰি উদ্যোগসমূহ নতুন দিশত আগবঢ়াই নিয়াৰ উদ্দেশ্য আগত ৰাখি অসম চৰকাৰে এই প্ৰকল্প হাতত লৈছে। এই প্ৰকল্পটো অসমৰ ১৬ খন জিলাতে কাৰ্যকৰী কৰিবলৈ হাতত লোৱা হৈছে। এই প্ৰকল্পৰ অধীনত অসমৰ কৃষি, মৎস্য, দুগ্ধ, খাদ্য প্ৰস্তুতকৰণ আদি বিভাগসমূহ সামৰি লোৱা হৈছে। এই প্ৰকল্পৰ লক্ষ্য হৈছে অসমৰ গ্ৰাম্য অৰ্থনীতি সবলীকৰণ কৰা। সিঁচৰতি হৈ উৎপাদন কৰি থকা উদ্যোগসমূহৰ মাজত গোট গঠনৰ মাজেৰে সামগ্ৰীসমূহৰ প্ৰকৃত মূল্য, গুণাগুণ, উন্নীতকৰণ, ন ন প্ৰযুক্তিৰে উৎপাদন বৃদ্ধি কৰাই হ'ল মূল লক্ষ্য। এই প্ৰকল্পৰ উদ্দেশ্যসমূহ বাস্তৱায়িত কৰাৰ অৰ্থেই নলবাৰী জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ উদ্যোগত কৃষিজাত সামগ্ৰীৰ উদ্যোগীসকলৰ বাবে আজিৰ এই কৰ্মশালা অনুষ্ঠিত কৰা হৈছে আৰু প্ৰশিক্ষণ দিবলৈ আহিছে, গ্ৰেণ্ট থৰ্টন নামৰ এক কাৰিকৰী প্ৰশিক্ষণ প্ৰতিষ্ঠান। নলবাৰী জিলাত এই প্ৰতিষ্ঠানত প্ৰশিক্ষক ৰাতুল কুমাৰ দাসে উদ্যোগীসকলক প্ৰশিক্ষণ দিব। আজিৰ কৰ্মশালাখনি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে নলবাৰী জিলাৰ উপায়ুক্ত ভাৰত ভূষণ দেৱচৌধুৰীয়ে। অনুষ্ঠানত গুৱাহাটীত থকা উদ্যোগ ভৱনৰ উপ-সঞ্চালক তপন ডেকা, কৃষি বিজ্ঞান কেন্দ্ৰ নলবাৰীৰ মাধৱী চক্ৰৱৰ্তী, গ্ৰেণ্ট থৰ্টনৰ বিষয়ববীয়া, লীড বেংক মেনেজাৰ, নলবাৰী জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ মহাপ্ৰবন্ধক দিলীপ বৰুৱা, জিলা পশুপালন বিষয়াকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

ৰেল সেৱাৰ বাতিলকৰণ

... নিম্নলিখিত ৰেলসমূহৰ সেৱা